জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৮৬/২০২০

অসম দৰ্শন আঁচনিৰ অধীনত তীৰ্থক্ষেত্ৰলৈ আৰ্থিক অনুদান প্ৰদান কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

# সত্ৰ, দ'ল-দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠান সমূহে মানৱীয় ধ্যান-ধাৰণাৰে সমাজখন উজ্জীৱিত কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** 'সাংস্কৃতিক মন লৈ আমি কলুষিত মন পৰিষ্কাৰ কৰোঁ, মন সংস্কাৰ কৰো আৰু আধ্যাত্মিক চেতনা শক্তিৰে সমাজখন আন্তৰিকতাৰে গঢ় দিয়াৰ প্ৰয়াস কৰো। অসমৰ বুকুত থকা সত্ৰ, দ'ল-দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠান সমূহে যুগ যুগ ধৰি মানৱীয় ধ্যান-ধাৰণাৰে সমাজখনক উজ্জীৱিত কৰি আহিছে। এই পৱিত্ৰ ধৰ্মীয় অনুষ্ঠান সমূহে আধ্যাত্মিক চেতনা শক্তিৰে মানুহৰ মাজত ভক্তি ভাৱৰ শক্তিশালী অনুভূতি জাগ্ৰত কৰিবলৈ সক্ষম হৈছে।' আজি 'অসম দৰ্শন' আঁচনিৰ অধীনত ৰাজ্যৰ ৯১৫ খন সত্ৰ, দ'ল-দেৱালয়কে ধৰি বিভিন্ন তীৰ্থক্ষেত্ৰলৈ আৰ্থিক অনুদান প্ৰদান উপলক্ষে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উল্লেখ্য যে অসম দৰ্শন আঁচনিৰ অধীনত ৰাজ্যখনৰ হিন্দু, ইছলাম, শিখ. বৌদ্ধ, খ্ৰীষ্টান আদি ধৰ্মৰ ৯১৫ খন তীৰ্থস্থান, দেৱালয়, উপাসনাস্থলী আৰু পৰ্যটনক্ষেত্ৰ সামৰি লোৱা হৈছে। আঁচনি খনৰ অধীনত ১৬০ খন বিভিন্ন ধৰ্মাৱলম্বীৰ তীৰ্থক্ষেত্ৰলৈ ২ লাখকৈ টকাৰ ওপৰঞ্চি বাৰ্ষিক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে আন্তঃগাঁথনি উন্নয়নৰ বাবে তালিকাভুক্ত তীৰ্থস্থানলৈ প্ৰাৰম্ভিক কিস্তিত ১০ লাখ টকাকৈ আগবঢ়োৱা হৈছে। সেইদৰে ধৰ্মানুষ্ঠান সমূহৰ লগত সংলগ্ন বাট-পথৰ উন্নয়নৰ বাবে সৰ্বমুঠ ৬১৪.৪৫ কোটি টকা আবন্টন দিয়া হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অনাগত দিনত ৰাজ্যৰ বিভিন্ন ভাষা-ভাষী, ধৰ্মাৱলম্বী লোকসকলে মিলিত প্ৰচেষ্টাৰে সমন্বয়ৰ দাৰা অসমখন ভাৰতবৰ্ষৰ বুকুত শক্তিশালী ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ কাম কৰিব লাগিব। আধ্যাত্মিক চেতনাই উঠি অহা প্ৰজন্মক ভাল মনৰ গৰাকী হৈ দেশৰ সুনাগৰিক হোৱাৰ বাবে উচিত পথৰ সন্ধান দিয়ে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক চিন্তা-চেতনাত বিশৃংখলতা আঁতৰ কৰিবলৈ আৰু সমাজখনক সুস্থিৰতা প্ৰদান কৰাৰ শক্তি আছে। মানুহে মানুহৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ, সততা আৰু নিষ্ঠাৰে এজনে আন জনৰ প্ৰতি দায়বদ্ধ হৈ জীৱনত দৃঢ়তাৰে আগুৱাই যাবলৈ গুৰু সকলে জ্ঞান দি গৈছে। এই জ্ঞানেৰে সমৃদ্ধ হৈ কাম কৰিব পাৰিলে অসমে বিশ্বক শান্তি আৰু সমন্বয়ৰ ধ্যান-ধাৰণা প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে একবিংশ শতিকাত মানুহৰ মাজত যি বিশৃংখলতাৰ সৃষ্টি হৈছে আৰু কুসংস্কাৰ তথা অন্ধবিশ্বাস গঢ় লৈছে সেয়া আঁতৰ কৰাত ধৰ্মীয় অনুষ্ঠান সমূহে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। এই সংস্কাৰমুখী যাত্ৰাত ধৰ্মীয় অনুষ্ঠান সমূহে নতুন দিগন্তৰ সূচনা কৰিব লাগিব। উঠি অহা প্ৰজন্মই মাদক দ্ৰব্য গ্ৰহণ কৰি ধ্বংসৰ মুখত যাতে নপৰে তাৰ বাবে তেওঁলোকৰ চিন্তা-চেতনা জগাই তোলাৰ দায়িত্ব ধৰ্মীয় অনুষ্ঠান সমূহে গ্ৰহণ কৰা উচিত। মানৱ জীৱন মানুহৰ বাবে, দেশৰ বাবে আৰু সমাজৰ বাবে সমৰ্পিত

হোৱা উচিত এই ভাৰ জগাই তোলাত এই অনুষ্ঠান সমূহে নিদৰ্শন দাঙি ধৰিব লাগিব বুলি মখ্যমন্ত্ৰীয়ে কয়।

স্বৰ্গদেউ চাওলুং চ্যু-কা-ফাৰ সমন্বয়ৰ আদৰ্শৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস' নীতিৰ মাধ্যমেদি সমগ্ৰ দেশবাসীক আস্থা আৰু বিশ্বাসত লৈ কাম কৰিছে আৰু ইয়াৰ ফলত দেশবাসীৰ মাজত আন্তৰিকতা গঢ় লৈ উঠিছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। আজি ৰাষ্ট্ৰত সকলো ধৰ্মাৱলম্বী লোকে প্ৰাণ পাই উঠিছে আৰু নিৰাপত্তা অনুভৱ কৰিছে বুলিও মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনি সমূহৰ ফলত অসমৰ ৰাইজ সৰ্বতোপ্ৰকাৰে উপকৃত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে সোণোৱালে মন্তব্য কৰে।

প্ৰচুৰ সম্পদ আৰু সম্ভাৱনীয়তাৰে ভৰপূৰ অসমখন আবিষ্কাৰ কৰিবলৈ পদক্ষেপ ল'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে 'অসম দৰ্শন' আঁচনিয়ে এই ক্ষেত্ৰত অসমত ধৰ্মীয় পৰ্যটনৰ বিকাশত বিশেষ সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ লক্ষ্য হৈছে অসমখন বিশ্বৰ বুকুত আদৰ্শ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰা। আনহাতে বৃহত্তৰ অসমৰ সকলো জাতি-জনগোষ্ঠীৰ সন্মিলিত শক্তিৰে অসম চৰকাৰ গঠিত হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমীয়াৰ জাতি, মাটি, ভেটিৰ সুৰক্ষাৰ লগতে মান-স্বাভিমান উজ্জীৱিত কৰিবলৈ অসম চৰকাৰে কাম কৰিছে। খিলঞ্জীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি প্ৰৱল ৰূপত গঢ় দিবলৈ পদক্ষেপ লৈছে। এই চৰকাৰে খিলঞ্জীয়াৰ স্বাৰ্থৰ পৰিপন্থী কোনো সিদ্ধান্ত লোৱা নাই বুলি মুখ্যমন্ত্ৰী সোণোৱালে দৃঢ়তাৰে মন্তব্য কৰে।

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সমাজে যৌথভাৱে কাম কৰাৰ প্ৰয়োজন আছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। সত্ৰাধিকাৰ আৰু গুৰুসকলে সমাজক আধ্যাত্মিক চেতনা দিয়াৰ লগতে সুস্থিৰতা প্ৰদান কৰিছে বুলি উল্লেখ কৰি ভৱিষ্যতৰ দিনত কোনো লোক যাতে অন্ধবিশ্বাসৰ কবলত নপৰে তাৰ বাবে সক্ৰিয় ভূমিকা ল'বলৈ আধ্যাত্মিক গুৰুসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। তেখেতে কয় যে 'মানুহে মানুহৰ বাবে' আদৰ্শৰে সমাজৰ পৰা কুসংস্কাৰ আঁতৰ কৰিবলৈ সত্ৰাধিকাৰ আৰু ধৰ্মীয় গুৰুসকলে সক্ৰিয় ভূমিকা ল'ব লাগিব।

ৰাজ্যত ধৰ্মীয় পৰ্যটনৰ বিকাশ ঘটাৰ লগে লগে বিভিন্ন ধৰ্মীয় অনুষ্ঠানত চুৰি কাৰ্য বৃদ্ধি পাইছে বুলি মন্তব্য কৰি এই দিশত পৰিচালনা সমিতি সমূহে অধিক সতৰ্কতাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়। ৰাজ্যৰ ধৰ্মীয় অনুষ্ঠান সমূহৰ আপুৰুগীয়া সম্পদবোৰ যাতে উচিত ৰূপত নিৰাপত্তা দিব পৰা যায় তাৰ বাবে পৰিচালনা সমিতি সমূহক ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, শিক্ষা আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আধ্যাত্মিক স্থান সমূহে অসমক চহকী কৰিছে। মাজুলীৰ সত্ৰ সমূহে জাতিটোক প্ৰাণ দিছে। কামৰূপ-কামাখ্যাই অসমক বিশ্বত পৰিচয় দিছে। আজান ফকীৰ আৰু হাজোৰ পোৱামক্কাই সমন্বয়ৰ আদৰ্শ দেখুৱাইছে আৰু গীৰ্জা সমূহে অন্তৰক পৱিত্ৰ কৰিছে।

অসমীয়াৰ জাতি, মাটি, ভেটি ৰক্ষাই চৰকাৰৰ লক্ষ্য বুলি দৃঢ়তাৰে উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে আৱেগৰ দ্বাৰা পৰিচালিত নহৈ জাতিটোৰ সম্পদ সমূহ উচিত ৰূপত বিশ্বৰ সন্মুখত তুলি ধৰাই হৈছে জাতীয়তাবাদৰ প্ৰকৃত সংজ্ঞা। অসম দৰ্শন আঁচনি জাতি, মাটি, ভেটিৰ আদৰ্শত আগুৱাই যোৱাৰ এক

পদক্ষেপ বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্যৰ ধৰ্মীয় অনুষ্ঠান সমূহে বহু পৰিয়ালক জীৱিকাৰ বাট দেখুৱাবলৈ সক্ষম হৈছে আৰু মানুহৰ অশান্ত মনক শান্ত কৰাৰ বাট দিছে। 'অসম দৰ্শন' আঁচনিৰ অধীনত ৰাজ্যৰ ১০০ বছৰ পুৰণি আধ্যাত্মিক অনুষ্ঠান বোৰৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে আঁচনি অনুসৰি তালিকাভুক্ত প্ৰতিখন ধৰ্মীয় ক্ষেত্ৰলৈ ১০ লাখ টকাৰ অনুদান অসম চৰকাৰে প্ৰদান কৰিব। যি বোৰ ধৰ্মীয় ক্ষেত্ৰই অহা ১৫ আগষ্টৰ ভিতৰত ব্যৱহাৰিক প্ৰমাণ পত্ৰ দিবলৈ সক্ষম হ'ব সেই সমূহে চলিত বৰ্ষৰ ভিতৰতে অতিৰিক্তভাৱে ১৫ লাখকৈ টকা লাভ কৰিব বুলি ড০ শৰ্মাই কয়। মন্ত্ৰী গৰাকীয়ে কয় যে তালিকাভুক্ত ধৰ্মীয় ক্ষেত্ৰ সমূহৰ যাতাযাত ব্যৱস্থা উন্নীত কৰাৰ বাবে গড়কাপ্তানি বিভাগে ৫৮২.৫০ কিলোমিটাৰ পথ নিৰ্মাণৰ পদক্ষেপ লৈছে। মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্যৰ ১৬০ খন ধৰ্মীয় অনুষ্ঠানলৈ আগবঢ়োৱা বাৰ্ষিক অনুদান ২ লাখ টকাকৈ বৃদ্ধি কৰাৰ লগতে নিৰাপত্তা ব্যৱস্থা অধিক টনকিয়াল কৰাৰ বাবে চিচি টিভি সংস্থাপন কৰিবলৈ ১ লাখ টকা অতিৰিক্তভাৱে প্ৰদান কৰাৰ ব্যৱস্থা লোৱা হৈছে।

মন্ত্ৰী ড° শৰ্মাই কয় যে অসম চৰকাৰে ৰাজ্যখনক আধ্যাত্মিক পৰ্যটনৰ আকৰ্ষণীয় কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে কাম কৰিছে। আনহাতে 'অসম দৰ্শন' আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰা ধৰ্মীয় অনুষ্ঠান সমূহৰ ফটো আৰু ইতিহাস সম্বলিত এখন পুথি প্ৰকাশৰ বাবেও ৰূপান্তৰ আৰু উন্নয়ন বিভাগে পদক্ষেপ লৈছে

আজিৰ অনুষ্ঠানত মাজুলীৰ আউনীআটি সত্ৰ আৰু ভোগপুৰ সত্ৰ, নগাঁৱৰ বৰদোৱা থান, দৰঙৰ ৰুদ্ৰেশ্বৰ দেৱালয়, কামৰূপ মহানগৰৰ কামাখ্যা দেৱালয় আৰু শুক্ৰেশ্বৰ দেৱালয়, শিৱসাগৰৰ শিৱ দ'ল, শোণিতপুৰৰ মহাভৈৰৱ মন্দিৰ, কাছাৰৰ কাছাকান্তি মন্দিৰ, গোলাঘাটাৰ শ্ৰীশ্ৰী আঠখেলীয়া বৰ নামঘৰ, কামৰূপৰ হাজো পোৱামক্কা, কাবিং আংলঙৰ লাওজান বেপটিষ্ট ছাৰ্চ, ধুবুৰীৰ গুৰু টেগবাহাদুৰ চাহিবজী আৰু তিনিচুকীয়াৰ মাওলুং বৌদ্ধ বিহাৰৰ পৰিচালনা সমিতি সমূহক আনুষ্ঠানিকভাৱে 'অসম দৰ্শন' আঁচনিৰ অধীনত চেক প্ৰদান কৰা হয়।

ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু সৰভোগ সমষ্টিৰ বিধায়ক তথা হাউচফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসেও ভাষণ প্ৰদান কৰে। অসম চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকা আৰু ৰাজহ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মোহন, বিধায়কসকল ক্ৰমে প্ৰমোদ বৰঠাকুৰ, আঙুৰলতা ডেকা, ডাঃ নোমল মমিন আৰু উৎপল বৰা, অসম চৰকাৰৰ মুখ্য সচিব কুমাৰ সঞ্জয়কৃষ্ণ, অতিৰিক্ত মুখ্য সচিবদ্বয় ক্ৰমে ৰাজীৱ বৰা আৰু জিষ্ণু বৰুৱা প্ৰমুখ্যে বহু সত্ৰাধিকাৰকে ধৰি বিভিন্ন মন্দিৰ, দ'ল-দেৱালয়, মছজিদ, গীৰ্জা, বৌদ্ধ বিহাৰ আদিৰ পৰিচলনা সমিতিৰ বিষয়ববীয়া এই অনুষ্ঠানত উপস্থিত থাকে।

**বীঃগঃ**

**২৪-০২-২০২০**